# চিৰচেনেহী জননী

আজি কিছু বছৰৰ পৰা পৃথিবীৰ বিভিন্ন দেশত মাতৃদিৱস পালন কৰা হৈ আহিছে। ভাৰতবৰ্ষতো প্ৰতিবছৰে মে মাহৰ দ্বিতীয় দেওবাৰে মাতৃদিৱস পালন কৰা হয়।

এগৰাকী মাতৃয়ে ত্যাগ আৰু নিঃস্বাৰ্থ প্ৰেমেৰে সন্তানক লালন পালন কৰি ডাঙৰ দীঘল কৰে। সন্তানৰ জীৱনত মাতৃৰ অৰিহনাৰ কথা মনত পেলাই মাতৃৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে সন্মান প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে মাতৃদিৱস পালন কৰা হয়।

ভাৰতবৰ্ষত দেৱী দূৰ্গা, কালি, লক্ষ্মী, সৰস্বতী আদিৰ পূজা কৰা হয়। কিন্তো সামাজিক আৰু আনকি ঘৰুৱা জীৱনতো নাৰীৰ স্থান অতি নিম্ন। অৱশ্যে মাতৃ হিচাবে নাৰীক কিছু মৰ্য্যদা প্ৰদান কৰাৰ পৰম্পৰা আছে। গোটেই জীৱন জুৰি নানান অসন্মানৰ সন্মুখীন হ'লেও শেষ বয়সত কোনো কোনো ভাগ্যৱতী নাৰীয়ে কিছু সন্মান লাভ কৰে।

মই ব্যক্তিগতভাবে এই কথা বিশ্বাস নকৰো যে এটা বিশেষ দিনতহে মাতৃৰ অৱদানৰ কথা সুৱঁৰি মাতৃৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিব লাগে। সন্মানৰ লগতে মাতৃৰ সুখ দুখৰ কথা চিন্তা কৰাটো সন্তান চিৰ কৰ্তব্য।

তথাপিও এই বিশেষ দিনটোৰ কিছু তাৎপৰ্য্য আছে। কাৰণ এই বিষয়ত কিছু চিন্তা চৰ্চা আৰু সচেতনতাৰ সৃষ্টি হয়। বহুতৰ বাবে নিজৰ স্মৃতি, অভিজ্ঞতা, অনুভূতি আদি প্ৰকাশৰ ই এক সুযোগ।

ময়ো আজি এই সুযোগত মোৰ নিজৰ চিন্তা, স্মৃতি আৰু অভিজ্ঞতাৰ বিষয়ে লিখিবলৈ লৈছো। 'মা' এই শব্দটো বা মাৰ মুখখন মনলৈ আহিলে এটাই ভাৱ হয় – **এই পৃথিবীত নিজতকৈ মোক বেছি ভাল পোৱা একমাত্ৰ ব্যক্তি হ'ল মা।** মোক নিজতকৈ বেছি ভাল পোৱা দ্বিতীয় ব্যক্তি এই পৃথিবীত আছে বুলি কল্পনাও কৰিব নোৱাৰো। এইখিনিতে প্ৰশ্ন উঠে ময়ো মাক নিজতকৈ বেছি ভাল পাওনে ? মোৰ আনুগত্য মা আৰু মোৰ পুত্ৰৰ মাজত বিভক্ত। পুত্ৰক নিশ্চয় নিজতকৈ বেছি ভাল পাও। কিন্তু মোক যদি কোনোবাই প্ৰশ্ন কৰে মোৰ আটাইতকৈ আপোন মানুহ কোন বুলি তেতিয়া দাঠি কব পাৰিম 'মা' বুলি। কিন্তু এইটো কথা ঠিক যে মই নিজৰ কথা যিমান ভাবো মাৰ কথা তাতকৈ বেছিকৈ ভাবো – যদিও দূৰত্বৰ বাবে মাৰ কাৰণে একো কৰিব নোৱাৰো।

মায়ে নিজে নাখায়ো আমাক খুৱাইছিল। ভাল বস্তুৰ সকলো আমাক বিলাই দি নিজলৈ প্ৰায়েই একো নাৰাখিছিল। কোনো কথাতেই নিজৰ কথা নাভাবিছিল। সকলো কথাতে আমাক আগভাগ দিছিল।

আমি সৰু থাকোতে মায়ে সৰুকৈ হ'লেও আমাৰ জন্মদিন পাতিছিল। পুৱা গোঁসাইঘৰত ঘিউৰ চাকি আৰু শৰাই দি আবেলি যি পাৰে খোৱাবস্তু তৈয়াৰ কৰি ওচৰৰ আমাৰ লগৰ ল'ৰাছোৱালীক খাবলৈ মাতিছিল। ঠিক সেইদৰেই দেউতাৰ জন্মদিনৰ দিনাও গোঁসাইঘৰত ঘিউৰ চাকি আৰু শৰাই দি আবেলি পায়স অকণমান হ'লেও বনাইছিল। পিছত ভাবি দুখ আৰু লাজ লাগিছিল যে যি মায়ে মাৰ সকলোৰে জন্মদিন পাতিছিল সেই মাৰো যে এদিন জন্ম হৈছিল আৰু মাৰো যে এটা জন্মদিন থাকিব পাৰে সেই কথা কিন্তু কেতিয়াও মনত খেলোৱা নাছিল। আজি কিছু বছৰৰ পৰাহে মাৰ জন্মদিন পতা হৈছে। সেয়ে মোৰ বৰ ইচ্ছা আছিল এবাৰ ডাঙৰকৈ মাৰ জন্মদিন পতাৰ। মাৰ ৮০ বছৰীয়া জন্মদিন (ইচ্ছানুসৰি ডাঙৰকৈ পাতিব নোৱাৰিলেও) পতাৰ পিছৰ পৰাহে কিছু শান্তি লাভ কৰিছো।

মায়ে নিজে পঢ়াশুনা কৰিবলৈ সুযোগ নাপালেও মোৰ পঢ়াশুনাত সদায় জোৰ দিছিল। মাত্ৰ সপ্তমমান শ্ৰেণীত পঢ়ি থাকোতেই সেই কালৰ নিয়ম অনুসৰি মাৰ বিয়া হৈছিল। বিয়াৰ পিছত আমাৰ ককা শিক্ষাবিদ পণ্ডিত ✓লক্ষ্মীনাথ শৰ্মাই মাক স্কুলত নাম লগাই দিব খুজিছিল কিন্তু আইতায়ে 'ঘৰৰ কাম কোনে কৰিব ?' বুলি বাধা দিলে। আইতায়ে বাধা নিদিয়া হ'লে যে মাৰ জীৱন সম্পূৰ্ণ বেলেগ হ'লহেতেন আৰু আমাৰো যে যথেষ্ট উপকাৰ হ'লহেতেন তাত কোনো সন্দেহ নাই। আমাৰ মাৰ এটা দৃঢ়বিশ্বাস আছিল যে গৰু ঘিউ খালে মগজ বাঢ়ে আৰু পৰীক্ষা ভাল হয়। সেয়ে মায়ে পৰীক্ষাৰ আগে আগে যেনেতেনে অকণমান হ'লেও ঘিউৰ যোগাৰ কৰিছিল। পৰীক্ষাৰ কেইদিনমান আগৰে পৰা আৰু পৰীক্ষা চলি থকা দিনকেইটাত মায়ে যেনেতেনে আধা গিলাছ হ'লেও গাখীৰ খোৱাৰ ব্যৱস্থা কৰিছিল। মেট্ৰিক পৰীক্ষাৰ আগতে মায়ে ৰাতি শোৱাৰ আগে আগে মোৰ বাবে দুখন ৰুটি আৰু বেঙেনা ভাজি কৰি ফ্লাস্কত চাহ ভৰাই থৈছিল। মই ঘড়ীত এলাৰ্ম চাৰি বজাতে উঠি সেইখিনি খাই পঢ়িবলৈ বহিছিলো। সেই বেঙেনা ভাজিৰ জুতি আজিও মুখত লাগি আছে।

মাতৃৰ নিঃস্বাৰ্থ প্ৰেম আৰু ত্যাগে সন্তানক আজীৱন অনুপ্ৰাণিত কৰাৰ বহুতো উদাহৰণ আছে। CSIR ৰ প্ৰাক্তন সঞ্চালক মাশেলকাৰ (Dr. R.A. Mashelkar)ৰ মাতৃৰ কথাকে ক'ব পাৰি। তেখেতে বহুতবাৰ বহুত ঠাইত মাতৃৰ কথা পৰম শ্ৰদ্ধাৰে উল্লেখ কৰিছে। তেখেত নিচেই সৰু থাকোতে পিতৃৰ মৃত্যু হোৱাত মাতৃয়ে অনেক কষ্ট কৰি আনৰ ঘৰত ভাত ৰন্ধা কাম কৰি তেখেতক পঢ়ুৱাইছিল। তেখেতে ইঞ্জিনিয়াৰিং পাছ কৰাৰ পিছত চাকৰী কৰিবলৈ ইচ্ছা কৰিছিল।

কিন্তু মাকে ‘আৰু পঢ়’ বুলি আদেশ দিয়াত M.Tech. পঢ়িলে। তাৰ পিছতো মাকৰ জোৰৰেই Ph.D. কৰিবলগীয়া হ’ল। Ph.D. কৰাৰ পিছত ‘এইবাৰ ৰক্ষা পৰিলো’ বুলি ভাবিলে কিন্তু মাকে নেৰে। মাশেলকাৰে মাকক বুজাবলৈ চেষ্টা কৰিলে যে Ph.D. বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ ডিগ্ৰী আৰু তাৰ পিছত পঢ়িবলৈ একো বাকী নাথাকে। কিন্তু মাকে তেখেতৰ কথা কোনোপধ্যেই নামানে। মাকে ক’লে, “এই বিশাল পৃথিবীখনত জানিবলৈ একো বাকী নাইনে ? সেইটো কেতিয়াও হবই নোৱাৰে। তই আৰু পঢ়।” মাকৰ আদেশ মানি মাশেলকাৰে Post doctorate কৰিবলগীয়া হ’ল। সেইগৰাকী অশিক্ষিতা অথচ জ্ঞানী নাৰীৰ বাবে আমাৰ দেশে ইমান আগশাৰীৰ বৈজ্ঞানিক এজন পালে।

ওপৰত লিখা কথাখিনি মই আজি বহুতদিনৰ আগতেই তেখেতৰ সৈতে হোৱা কোনোবা এটা সাক্ষাৎকাৰত পঢ়িছিলো। স্মৃতিৰ পৰা লিখাৰ বাবে তথ্যৰ অলপ ইফাল সিফাল হ’ব পাৰে।

ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ জীৱনত মাতৃত্ব প্ৰভাৱ আছিল অপৰিসীম। মাতৃৰ অসুখৰ খবৰ পাই নিজৰ জীৱন বিপন্ন কৰি ফেনে ফুটুকাৰে ভৰা বাৰিষাৰ দামোদৰ নদী কেনেকৈ ৰাতি সাতুৰি পাৰ হৈ গৈছিল সেই কথা নিঃস্বাৰ্থ মাতৃপ্ৰেমৰ এক জলন্ত দৃষ্টান্ত। তেখেতৰ সমাজ সম্পৰ্কীয় আৰু বিশেষকৈ নাৰী সম্পৰ্কীয় প্ৰগতিশীল চিন্তাধাৰা গঢ়ি উঠাত মাতৃৰ যথেষ্ট অৰিহনা আছিল।

মাতৃৰ নিঃস্বাৰ্থ প্ৰেম সম্পৰ্কে নানান কাহিনী পঢ়িবলৈ/শুনিবলৈ পাইছো যদিও অতি গভীৰভাবে মোৰ হৃদয়ত ৰেখাপাত কৰা কাহিনীটো হৈছে এনে ধৰণৰ : এগৰাকী মাতৃয়ে নিজৰ একমাত্ৰ পুত্ৰক ইমানেই ভাল পাইছিল যে পুত্ৰৰ কাৰণে সকলো ত্যাগ কৰিবলৈ সাজু আছিল। তেওঁৰ জীৱনৰ কেন্দ্ৰবিন্দু সেই পুত্ৰ এদিন এক ৰূপৱতী কিন্তু দুষ্ট নাৰীৰ প্ৰেমত পৰিল। প্ৰেমৰ উছাহত তেওঁ সেই নাৰীয়ে প্ৰেমৰ প্ৰমাণ হিচাবে যি বিচাৰে তাকেই দিবলৈ/কৰিবলৈ প্ৰতিশ্ৰুতি দিলে। সেই দুষ্টনাৰীয়ে প্ৰেমৰ প্ৰমাণ হিচাবে মাকৰ কলিজাটো দাবী কৰিলে। প্ৰেমিকাক সন্তুষ্ট কৰিবলৈ তেওঁ এখন ধাৰ থকা কটাৰিৰে মাকৰ বুকু ফালি কলিজাটো উলিয়াই হাতত লৈ প্ৰেমিকাৰ ওচৰলৈ ধাপলি মেলিলে। পিছে বাটতে উজুতি খাই পৰাত কলিজাটো হাতৰ পৰা পৰি গ’ল। তেতিয়া মাকৰ কলিজাটোৱে মাটিৰ পৰা তপৰাই মাত লগালে “সোনটো দুখ পালি নেকি?”

এই কাহিনীটো মই অলপ বেলেগ বেলেগ ৰূপত বহুত ঠাইত পঢ়িবলৈ পাইছো। ঠিক একেধৰণৰে কথা এটা লিখিছিলে যোৰহাটৰ বিশিষ্ট চকু চিকিৎসক ড. নাৰায়ণ বৰদলৈয়ে। মাতৃ প্ৰয়াত চন্দ্ৰপ্ৰভা বৰদলৈ (আমাৰ পৰম শ্ৰদ্ধাৰ মাৰ্হকন বাইদেউ)ৰ কেনচাৰ বেমাৰ ধৰা পৰাৰ সময়ত তেখেত ধুবুৰীৰ ফালে কোনোবা ঠাইত (মোৰ ভালদৰে মনত নাই) চৰকাৰী চাকৰী কৰি আছিল। খবৰ পাই তেখেত যেতিয়া বহুত গাড়ী বাচ সলাই অৱশেষত ডিব্ৰুগড়ত থকা মাতৃৰ ওচৰ

পাইছিলগৈ পুত্ৰৰ কষ্টত চিন্তাক্লিষ্ট মাতৃয়ে সুধিছিল 'ওই বৰ কষ্ট পালি নেকি ?' অথচ নিজে দূৰাৰোগ্য ৰোগত ভুগি আছিল।

আমাৰ মাৰ মুখৰ এক অভিব্যক্তি মই গোটেই জীৱন জুৰি নাপাহৰো, মোৰ ল'ৰাৰো জন্ম হোৱাৰ সময়ত মোৰ চোৱাচিতা কৰিবলৈ মা ইয়াত আছিলহি। হস্পিটেলত আগদিনা গধুলিয়েই ভৰ্তি হৈছিলো যদিও মোৰ ল'ৰাটোৰ পিছদিনা পুৱাহে জন্ম হৈছিল। তাৰো কেইঘণ্টামানৰ পিছতহে এওঁ মাক হস্পিটেললৈ আনিব পৰিছিলে। গতিকে মায়ে মোক চাবলৈ অস্থিৰ হৈ আছিল। আহি পোৱাৰ লগে লগে মায়ে মোক সুধিলে 'বৰ কষ্ট পালি নহয়'? এইটো এটা নিচেই সৰু প্ৰশ্ন কিন্তু মাৰ মুখত যি ভাৱ প্ৰকাশ পাইছিল তাৰ পৰাই মায়ে মোৰ কথা কিমান চিন্তা কৰিছিল সেই কথা বুজিব পাৰি। সেই সমমৰ্মিতাৰ ভাৱ আন কাৰো মুখত নাছিল। সেই মুহূৰ্তত মাৰ মুখত প্ৰকাশ পোৱা ভাৱ মই ভাষাৰে বুজাব নোৱাৰো। "নৈৰ সমান বৰ কোন, আইৰ সমান হ'ব কোন" কথাষাৰ যথাৰ্থতে ষোল্ল অনাই সঁচা। এই পৃথিবীত আইৰ সমান আন কোনোৱেই হ'ব নোৱাৰে।

আমাৰ মা হ'ল পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ এক নিষ্ঠুৰ বলি। বিয়াৰ সময়ত আমাৰ মামাহঁতৰ ঘৰখনৰ অৱস্থা বৰ নিঃকিন আছিল আৰু তাৰ বিপৰীতে দেউতাহঁতৰ ঘৰখন আছিল অতি প্ৰতিপত্তিশীল। গতিকে প্ৰকাশ্যে হেয়জ্ঞানেই নহয় অহৰহ অৱজ্ঞা, অনাদৰ আৰু অপমানৰ সন্মুখীন হৈছিল মা। অৱশ্যে ককায়ে মাক বৰ মৰম কৰিছিল। পিছলৈ মামাহঁতে উচ্চ পদস্থ চাকৰী কৰি এইখন ঘৰতকৈ বহুত আগবাঢ়ি গৈছিল যদিও মাৰ স্থান কিন্তু উন্নত নহ'ল। মায়ে প্ৰতিবাদ আৰু বিদ্ৰোহ কৰিছিল কিন্তু ইমান প্ৰতিপত্তিশীল আৰু ব্যক্তিত্বসম্পন্ন মানুহৰ বিৰুদ্ধে বিদ্ৰোহ কৰি সফল হোৱাৰ জোখাৰে বুদ্ধি, বিচক্ষণতা আৰু দূৰদৰ্শিতা মাৰ নাছিল, গতিকে মায়ে ধুতিনীতিৰ আশ্ৰয় ল'লে – মা শুচিবায়ুগ্ৰস্ততাৰ বলি হ'ল।

মা বলি হ'লেও, আনে ভুল বুজিলেও মই জানো সত্য কি। মা মোৰ কাৰণে এক নায়িকা। মাতকৈ মাত্ৰ দেৰ কি দুবছৰৰ ডাঙৰ সহোদৰা বায়েকৰ মৃত্যু হোৱাত মায়ে নিজৰ মাকৰ ঘৰলৈ যাবলৈ ইচ্ছা কৰিছিল। ঘৰৰ কাম কাজত অসুবিধা হ'ব বাবে মাক মাত্ৰ ১৬ মাইল দূৰৰ দেৰগাৱলৈ যাবলৈ আইতায়ে বাধা দিছিল। নিজে অভিজাত ঘৰৰ পৰা অহা বাবে আইতায়ে হয়তো ভাবিছিলে সৰু মানুহৰ ঘৰৰ পৰা অহা মাৰ কোনো আৱেগ অনুভূতি থাকিব নোৱাৰে। কিন্তু মোৰ মায়ে আইতাৰ আদেশ অমান্য কৰি সেই ১৯৫২ চনতে মোক কোলাত লৈ পেহীয়েকৰ পুতেক ককায়েকৰ লগত দেৰগাঁৱলৈ গুচি গৈছিল। সেয়ে মা মোৰ কাৰণে এক নায়িকা আৰু মাক লৈ মই গৌৰৱ বোধ কৰো। গৌৰৱ বোধ কৰো এই কাৰণেই যে মায়ে অন্যায় নীৰৱে মানি নলৈ বা কন্দা কটা কৰি আনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা নকৰি নতুবা আন বহুতো বোৱাৰীৰ দৰে মুখৰ আগত এটা কৈ পিছত কিবা এটা কৰাৰ বুদ্ধি অৱলম্বন কৰাৰ সলনি সৰৱে প্ৰতিবাদ

কৰিছিল। মাৰ এই কাহিনীটো মই মোৰ ‘প্ৰতিবাদ’ নামৰ গল্পত লিখিছিলো। গল্পটো প্ৰথমতে ‘শ্ৰীময়ী’ত প্ৰকাশ পাইছিল আৰু ১৯৯৮ চনত ডেইজী কলিতাৰ সম্পাদনাত অসম লেখিকা সন্থাই প্ৰকাশ কৰা ‘সাম্প্ৰতিক লেখিকাৰ গল্প’ত প্ৰকাশ পাইছে।

মই মাক লৈ আৰু এটা কথাৰ বাবে গৌৰৱ বোধ কৰো। অশিক্ষিতা আৰু পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰে এক অংগ হ’লেও মাৰ মনত কোনো লিংগ বৈষম্যৰ ভাৱ নাই। মায়ে ল’ৰা আৰু ছোৱালীক সদায় সমদৃষ্টিৰে চায়। তাৰ বিপৰীতে দেউতা ইমান শিক্ষিত হোৱা স্বত্ত্বেও ছোৱালীৰ প্ৰতি দৃষ্টিভংগী যে ভিন্ন তাৰ প্ৰমাণ মই বহুত পালো।

মই যদি আজি অতি সাধাৰণভাবেও কিবা এটা হ’লো আৰু মোৰ নাম যদি এই পৃথিবীত কোনো কোনো লোকে জানে তেনেহলে তাৰ মূলতে হ’ল মা। মোৰ এক বান্ধবীয়ে প্ৰায়েই মোক আনৰ লগত পৰিচয় কৰি দিওতে কয় “South India’s most wanted woman”। মই কওঁ “কি মোক ফুলন দেবীৰ লগত তুলনা কৰিছা নেকি ?” কাৰণ এসময়ত ফুলন দেবীৰ ক্ষেত্ৰত কোৱা হৈছিল “India’s most wanted woman”। ধেমালিতে কলেও বান্ধবী প্ৰেমাই কোৱা কথাত কিছু সত্যতা আছে। দক্ষিণ ভাৰতত যিমানবোৰ Speech and Hearing প্ৰতিষ্ঠান আছে তাত স্নাতকোত্তৰ পৰ্যায়ত থকা Clinical Linguistics নামৰ পেপাৰখন পঢ়াবলৈ মোক সকলোৱে আমন্ত্ৰণ কৰে। সকলোৰে আমন্ত্ৰণ ৰক্ষা কৰা সম্ভৱ নহয় যদিও চেন্নাই, বাংগালোৰকে ধৰি দক্ষিণ ভাৰতৰ বিভিন্ন নগৰ/চহৰৰ সৰ্বমুঠ ১২ খন প্ৰতিষ্ঠানত মই স্নাতকোত্তৰ পৰ্য্যায়ত পঢ়োৱাৰ অভিজ্ঞতা লাভ কৰিছো। দক্ষিণ ভাৰতৰ প্ৰায় কুৰিখনমান বিশ্ববিদ্যালয়ৰ লগত পৰীক্ষা সম্পৰ্কীয় কাম কাজত জড়িত। নিচেই সৰুতেই মাক দেখি দেখি এটা কথা উপলব্ধি কৰিছিলো যে মানুহ কেৱল নিজৰ শক্তি আৰু আত্মবিশ্বাসৰ জোৰতহে আত্মসন্মানেৰে সৈতে জীয়াই থাকিব পাৰে। মই প্ৰতিজ্ঞা কৰিছিলো যে মই পঢ়ি শুনি কিবা এটা হ’মেই। যিকোনো ধৰণৰ দুখ, কষ্ট, যন্ত্ৰণা আৰু সংগ্ৰামৰ বাবে সাজু থাকিম কিন্তু আনে বাগি কুঠাৰ মাৰিব পৰাকৈ হলা গছ কেতিয়াও নহও আৰু কোনো পৰিস্থিতিতে বলি নহও বুলি নিজৰ ওচৰতে অংগীকাৰবদ্ধ হৈছিলো।

মোৰ প্ৰেৰণা আৰু মনোবলৰ প্ৰকৃত উৎস হ’ল মা। সেয়ে মই মাৰ ওচৰত চিৰঋণী আৰু চিৰকৃতজ্ঞ। এই ঋণ আৰু কৃতজ্ঞতা প্ৰকাশৰ বাবে মাতৃদিৱসতকৈ ভাল উপলক্ষ বোধকৰো আন একো নাই।